**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১। নতুন দিল্লীত আজিৰে পৰা অষ্টাদশ ব্ৰীকচ সন্মিলন অনুষ্ঠিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰীকচ সন্মিলনৰ আপাহতে আজি কেইবাগৰাকীও নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়নক সাক্ষাৎ কৰে।

৪। প্ৰধানমন্ত্ৰী কিষান মান ধন যোজনাই সাত বছৰ সম্পূৰ্ণ কৰিছে। ***আৰু***

৫। ভাৰতে মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অষ্টাদশ ব্ৰীকছ সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে ভালেসংখ্যক বিদেশী নেতা আৰু জ্যেষ্ঠ বিষয়া নতুন দিল্লীত উপস্থিত হৈছে। ব্ৰাজিল, চীন, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ভাৰত, ৰাছিয়া, ইৰাণ, চৌদি আৰৱ, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইকে ধৰি ১১খন গুৰুত্বপূৰ্ণ বিকাশশীল অৰ্থব্যৱস্থাৰ দেশে ব্ৰিকছ সন্মিলনত অংশগ্ৰহণ কৰিব।

এই সন্মিলনত ব্ৰিক্‌ছৰ সদস্যৰাষ্ট্ৰসমূহৰ নেতাসকলে সু-শাসন, বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি, খাদ্য আৰু শক্তি সুৰক্ষা, স্বাস্থ্য সেৱা, দুৰ্যোগ আৰু স্থিতিস্থাপকতা আৰু যোগান শৃংখলকে ধৰি মূল বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰিব। ২০২৬ বৰ্ষৰ ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত এই সন্মিলনৰ বিষয়বস্তু হৈছে – স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষম ক্ষমতাৰ বাবে নিৰ্মাণ।

চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং ব্ৰিক্‌ছ সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে আজি নতুন দিল্লীত উপস্থিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চীনা ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে আজি দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। বেলাৰুছৰ বিদেশ মন্ত্ৰী মেক্সিছ ৰায়জেনক'ফো আজি নতুন দিল্লীত উপস্থিত হয়। সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে আজি ভাৰতলৈ অহা ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লী মিন্‌হ হুংগক অসামৰিক বিমান পৰিবহণ বিভাগৰ ৰাজ্যমন্ত্ৰী মুৰুলীধৰ মহলে বিমান বন্দৰত আদৰণি জনায়। বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান টেড্ৰছ অধনাম ঘেব্ৰিয়েছো আজি পুৱা সন্মিলনত অংশ লোৱাৰ উদ্দেশ্যে নতুন দিল্লীত উপস্থিত হয়।

ব্ৰিকছ সন্মিলন সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে সন্মিলনৰ বাবে উপস্থিত হোৱা বিশ্বৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো দেশৰ নেতাৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব আৰু বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰি জনসাধাৰণৰ কল্যাণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অষ্টাদশ ব্ৰীকছ শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী ড০ আবি আহমেদ আলীৰ সৈতে দ্বিপাক্ষিক

আলোচনাত মিলিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ পোৱা অনুসৰি দুয়োগৰাকী নেতাই দ্বিপাক্ষিক কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই অৰ্থনৈতিক সহযোগিতা, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ অংশীদাৰিত্ব আৰু সামৰ্থ বিকাশকে ধৰি মূল খণ্ডসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। আলোচনাত দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় উন্নয়ন তথা বহুপক্ষীয় মঞ্চত ঘনিষ্ঠ সহযোগিতা শক্তিশালী কৰা সন্দৰ্ভত মত বিনিময় কৰে। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অষ্টাদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলনত ইথিওপিয়াৰ অংশগ্ৰহণৰ বাবে শলাগ লয়।

ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত ব্ৰীকছ্ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা তথা জনসাধাৰণৰ মাজৰ সুসম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মালয়েছিয়া ভ্ৰমণৰ ফলাফল সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে ভাৰত-আছিয়ান সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত মালয়েছিয়াৰ অবিৰত প্ৰচেষ্টাৰ শলাগ লয়। নেতা দুগৰাকীয়ে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত মত বিনিময় কৰি দেশ দুখনৰ ব্যাপক কৌশলগত অংশীদাৰিত্বক আগুৱাই নিয়াৰ বাবে নিজৰ দায়বদ্ধতা প্ৰকাশ কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়নক সাক্ষাৎ কৰে। ব্ৰীকচ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে সম্প্ৰতি নতুন দিল্লীত থকা ইৰাণৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। আলোচনাকালত দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ শেহতীয়া ঘটনাক্ৰমক লৈ মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বৈঠকত আলোচনা আৰু কূটনীতিৰ মাজেৰে সকলো বিষয় নিস্পত্তি কৰা উচিত বুলি ভাৰতে অবিৰতভাৱে গ্ৰহণ কৰি অহা স্থিতিৰ বিষয়ে দোহাৰে। তেওঁ লগতে অঞ্চলটোত দীৰ্ঘকালীন শান্তি আৰু সুস্থিৰতাৰ বাবে নৌ পৰিবহন আৰু বাণিজ্যৰ স্বাধীনতা তথা নাৱিকসকলৰ কল্যাণ নিশ্চিত কৰি নিৰন্তৰ প্ৰয়াস চলোৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

০০০০

ব্ৰিক্‌ছ সন্মিলন ২০২৬-ত দেশৰ উচ্চশিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ উদ্ভাৱনসমূহ বিশ্বৰ বিভিন্ন ক্ষেত্ৰত প্ৰসাৰিত হ'ব। সামাজিক মাধ্যমযোগে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ব্ৰিক্‌ছ সন্মিলনৰ আপাহতে বিভিন্ন দেশৰ বিশিষ্ট ব্যক্তিক আদৰণি জনোৱাটো দেশৰ বাবে অতি গৌৰৱৰ বিষয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত দেশৰ উদ্ভাৱনৰ ক্ষেত্ৰখন ত্বৰান্বিত হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে দেশৰ এই উদ্ভাৱন যাত্ৰাই সমগ্ৰ বিশ্বতে প্ৰভাৱ পেলাইছে।

বাইট

০০০০

শ্ৰী গুৰু গ্ৰন্থ্ চাহিবৰ প্ৰকাশ পৰ্ব্ উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শ্ৰী শ্বাহে কয়, যে শ্ৰী গুৰুগোবিন্দ সিঙে শ্ৰীগুৰু গ্ৰন্থ চাহিবক গুৰুৰ মৰ্যাদা প্ৰদান কৰি জীৱনৰ পথ প্ৰদৰ্শন – জ্ঞান, সত্য আৰু নীতিৰ পৰাই আহে বুলি প্ৰকাশ কৰিছে। এই শাস্ত্ৰখনে সেৱা, ত্যাগ, সমতা, মানৱতা আদি অমূল্য শিক্ষা আগবঢ়াইছে, যিয়ে সমাজখনক সদায়েই মানৱ কল্যাণৰ বাবে কাম কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই পৱিত্ৰ দিনটোত শিখ সম্প্ৰদায়ৰ লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে শ্ৰী গুৰু গ্ৰন্থ্ চাহিবৰ শিক্ষাই মানৱতাক সত্য, সেৱা, সমতা, মমতা আৰু সমন্বয়ৰ দিশত পথ প্ৰদৰ্শন কৰে। তেওঁ লগতে কয়, যে শ্ৰী গুৰু গ্ৰন্থ্ চাহিবৰ বাৰ্তাই মানুহক পাৰস্পৰিক সদিচ্ছা, সন্মান আৰু ভাতৃত্ববোধেৰে সমাজ আৰু জাতিৰ সেৱা কৰিবলৈ অনুপ্ৰাণিত কৰে। এই পৱিত্ৰ অনুষ্ঠানে সকলোৰে বাবে শান্তি, সমৃদ্ধি আৰু সুখ কঢ়িয়াই আনিব বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

প্ৰধানমন্ত্ৰী কিষান মান ধন যোজনাই সাত বছৰ সম্পূৰ্ণ কৰে। ২০১৯ চনৰ ১১ ছেপ্তেম্বৰত এই আঁচনি মুকলি কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে ৬০ বছৰ বয়সৰ পৰা ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলক মাহিলি পেন্সন দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰতি মাহে এই আঁচনিৰ অধীনত ৬০ বছৰ পাৰ কৰা কৃষকসকলক তিনি হাজাৰ টকাকৈ পেন্সন দি অহা হৈছে। ইয়াৰ জৰিয়তে খেতিয়কসকলে বৃদ্ধ বয়সত বিত্তীয় নিৰাপত্তাৰ লগতে সন্মানো লাভ কৰিছে।

০০০০

ভাৰতে মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে আজি চীনৰ মকিত অনুষ্ঠিত  প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত দক্ষিণ কোৰিয়াক ৫-১ গলত পৰাস্ত কৰে। ভাৰতৰ হৈ চুপ্ৰিয়াই ৩ টা গল দিয়ে। মধু আৰু সুখবীৰ কৌৰে এটাকৈ গল দিয়ে। ভাৰত ফাইনেলত চীন আৰু জাপানৰ মাজৰ দ্বিতীয়খন ছেমিফাইনেলৰ বিজয়ী দলটোৰ সন্মুখীন হব। ইয়াৰ পূৰ্বে ভাৰতে কালি মালয়েছিয়াক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰি পুৰুষৰ জুনিয়ৰ এছিয়ান কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ হৈ অধিনায়ক অনমোল এক্কাই দুটা আৰু সুখবিন্দৰে এটা গল দিয়ে। ভাৰত কাইলৈ হবলগীয়া ফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হব। কোৰিয়াই কালি বিয়লি অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত পাকিস্তানক ৪-১ গলৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০

ডুবাইত কাইলৈ হ'বলগীয়া মহিলাৰ  টি-২০ এছিয়া কাপৰ ফাইনেলত ভাৰতে যোৱাবাৰৰ চেম্পিয়ন শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব। যোৱা নিশা অনুষ্ঠিত ছেমিফাইনেলত শ্ৰীলংকাই পাকিস্তানক চাৰি উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

ইপিনে সাতবাৰৰ চেম্পিয়ন ভাৰতে গ্ৰুপ পৰ্যায়ৰ তিনিখন খেলত জয়লাভ কৰি শীৰ্ষস্থান দখল কৰাৰ পাছত ছেমিফাইনেলত বাংলাদেশক ৪০ ৰাণত পৰাস্ত কৰে। উল্লেখ্য যে, ২০২৪ চনৰ ফাইনেলত শ্ৰীলংকাই ভাৰতক পৰাস্ত কৰি নিজৰ প্ৰথমটো এছিয়া কাপ খিতাপ জয় কৰিছিল।

০০০০

নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ বাবে বিজেপিয়ে নগাঁৰৰ প্ৰাক্তন জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ নাম ঘোষণা কৰিছে। দলটোৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে তেওঁৰ প্ৰাৰ্থিত্বত অনুমোদন জনাইছে। শ্ৰী শৰ্মাই কেইদিনমান পূৰ্বে জিলা আয়ুক্তৰ দায়িত্বৰ পৰা স্বেচ্ছাই অৱসৰ লৈ বিজেপিত যোগদান কৰিছিল। এই

উপ-নিৰ্বাচনৰ বাবে এ আই ইউ ডি এফে ইতিমধ্যে ৰেজাউল কৰিম চৰকাৰৰ নাম ঘোষণা কৰিছে। সমষ্টিটোত কংগ্ৰেছেও দুই-এদিনতে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত ভোটগ্ৰহণ হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

ইপিনে, উপ-নিৰ্বাচনৰ বাবে ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডমাইজেছন কালি সমষ্টিটোৰ অন্তৰ্গত দুয়োখন জিলাৰ সংশ্লিষ্ট জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত এই প্ৰক্ৰিয়াৰ জৰিয়তে সমষ্টি ভিত্তিকভাৱে ধিং, ৰূপহীহাট, চামগুৰি, নগাঁও-বটদ্ৰৱা আৰু ৰহা বিধানসভা সমষ্টিৰ বাবে ই ভি এম আৰু ভি ভি পেটসমূহ কম্পিউটাৰাইজড লটাৰীৰ জৰিয়তে আৱণ্টন কৰা হয়।

০০০০

সমাপ্ত